2015

# ASSAMESE

Paper : 3.04

## INTRODUCTION TO WORLD LITERATURE IN ENGLISH TRANSLATION / STRUCTURAL ANALYSIS OF ASSAMESE LANGUAGE

Full Marks : 80

Time : 3 hours

***Answer from the Group offered by you***

## GROUP : A : INTRODUCTION TO WORLD LITERATURE IN ENGLISH TRANSLATION

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ ১ × ৮ = ৮

(ক) আৰ্নেষ্ট হেমিংৱে কোন দেশৰ নাগৰিক আছিল?

(খ) 'The Chairs' নাটকখন কোন চনত প্ৰকাশ পাইছিল?

(গ) 'The Weed' গল্পটোৰ মুখ্য চৰিত্ৰটোৰ নাম কি?

(ঘ) বডলেয়াৰৰ দ্বাৰা ৰচিত কবিতা সংকলনখনৰ নাম কি?

(ঙ) লুই বৰ্খেছৰ দ্বাৰা ৰচিত যি কোনো এখন গল্প সংকলনৰ নাম উল্লেখ কৰা।

(চ) প্ৰশস্তি গীত (Ode) ৰচনাৰ বাবে বিশেষভাৱে পৰিচিত ইংৰাজ কবিজনৰ নাম কি?

(ছ) ইবেচনৰ দ্বাৰা ৰচিত প্ৰথম নাটকখনৰ নাম কি?

(জ) টি. এছ. এলিয়টে কোন চনত সাহিত্যৰ ন'বেল বঁটা লাভ কৰিছিল?



*P.T.O.*

২। চমু উত্তৰ লিখা ঃ ২ × ৩ = ৬

(ক) স্বগত নাটক (Dramatic Monologue) বুলিলে কি বুজা?

(খ) সাহিত্যৰ তালিকাকৰণৰ দুটা সুফল উল্লেখ কৰা।

(গ) আধুনিকতাবাদী কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

৩। চমুটোকা লিখা ঃ (যি কোনো দুটা) ৫ × ২ = ১০

(ক) ডা° ষ্টকমেন

(খ) 'The Necklace গল্পৰ ভাষা

(গ) যাদুকৰী বাস্তৱবাদ (Magic Realism)

(ঘ) বিশ্বায়ন আৰু সাহিত্য।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ৪ + ১০ = ১৪

(ক) বিশ্বসাহিত্যৰ চমু পৰিচয়সহ বিশ্বসাহিত্যৰ ধাৰণাৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পৰ্কত এক আলোচনা আগবঢ়োৱা। ১৪

(খ) 'Tintern Abbey' কবিতাটোত প্ৰকৃতিৰ উপাদান আৰু আধ্যাত্মিকতাৰ কিদৰে মৈত্ৰীবন্ধন হৈছে, ফঁহিয়াই দেখুওৱা। ১৪

(গ) পাঠ্য কবিতাৰ আলমত ব'ডলেয়াৰ আৰু টি. এছ. এলিয়টৰ কবিতাৰ বিষয়বস্তু তথা আংগিক বৈশিষ্ট্যসমূহৰ এক চমু খতিয়ান দাঙি ধৰা।১৪

(ঘ) অমৃতা প্ৰীতমৰ 'The Weed' গল্পটোত সমসাময়িক ভাৰতৰ নাৰীৰ অৱস্থাৰ কিদৰে ৰূপায়ণ ঘটিছে, উদাহৰণসহ আলোচনা কৰা। ১৪

(ঙ) 'The Oldman and the See' ৰ কথাবস্তু আৰু চান্টিয়াগ'ৰ জীৱনৰ সংগ্ৰামক মানৱ জীৱনৰ সংগ্ৰামৰ ৰূপক হিচাপে আলোচনা কৰা।১৪

(চ) আয়নেস্ক'ৰ 'The Chairs' নাটকৰ বিষয়বস্তু, ভাষা আৰু মঞ্চসজ্জা ইত্যাদি ক্ষেত্ৰত কিদৰে পৰস্পৰ নিৰ্ভৰশীলতা তথা একতা ৰক্ষিত হৈছে উদাহৰণসহ ব্যাখ্যা কৰা। ১৪



## GROUP : B : STRUCTURAL ANALYSIS OF ASSAMESE LANGUAGE

১। উত্তৰ লিখা ঃ ১ × ৮ = ৮

(ক) ভাষাৰ মূল কি?

(খ) Articulation - শব্দৰ অসমীয়া পৰিভাষা কি?

(গ) 'আই. পি. এ' ৰ মূল ভেঁটি কি?

(ঘ) বাগিন্দ্ৰিয়ৰ মুখ্য বিবৰ কেইটা?

(ঙ) আক্ষৰিক ধ্বনিৰ আন এটা নাম কি?

(চ) সংগতিসূচক সৰ্বনাম পদ কোন বিধ সৰ্বনামৰ অন্তৰ্গত?

(ছ) বাণীকান্ত কাকতিৰ মতে অসমীয়া ভাষাত প্ৰাপ্ত শব্দমালাৰ মূল উৎস কেইটা?

(জ) বাক্যস্তৰৰ সবাতোকৈ নিম্নতম গোটটো কি?

২। চমুকৈ উত্তৰ লিখা ঃ ২ × ৩ = ৬

(ক) সংস্কৃত ভাষাত অযোগবাহ বৰ্ণ কেইটা আৰু কি কি?

(খ) অসমীয়া ভাষাৰ উদ্ভৱ কালৰ নিদৰ্শন ক'ত ক'ত পোৱা যায়?

(গ) শব্দাৰ্থ পৰিৱৰ্তনৰ যি কোনো দুটা কাৰণ উল্লেখ কৰা।

৩। চমুটোকা লিখা ঃ (যি কোনো দুটা) ৫ × ২ = ১০

(ক) নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয়

(খ) যৌগিক ধাতু

(গ) ক্ষতিপূৰণীয় দীৰ্ঘীকৰণ

(ঘ) মনোভাৱাপন্ন অৰ্থ

৪। তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) অসমীয়া ভাষাৰ স্বৰধ্বনিৰ উপধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা আৰু সেইবোৰৰ ব্যৱহাৰ বিশ্লেষণ কৰা।

(খ) সংস্কৃতৰ পৰা অসমীয়ালৈ আহোঁতে অন্তৰৱৰ্তী স্বৰসমূহৰ কেনেধৰণৰ পৰিৱৰ্তন সাধিত হৈছে, আলোচনা কৰা।

(গ) সৰ্গ কাক বোলে? প্ৰকৃতি আৰু সৰ্গ একেই নে? অসমীয়া ভাষাৰ পৰা উদাহৰণ লৈ প্ৰকৃতি আৰু সৰ্গ কি, বুজাই লিখা। ২ + ২ + ১০ = ১৪

(ঘ) ব্যাকৰণগত বিষয় বুলিলে কি বুজা? অসমীয়া ভাষাত ব্যাকৰণগত বিষয় কেইটা আৰু কি কি, খৰচি মাৰি আলোচনা কৰা। ৪ + ২ + ৮ = ১৪

(ঙ) 'অসমীয়া ভাষাৰ ক্ৰিয়াপদ' — এই শিতানত এটি আলোচনা যুগুত কৰা। ১৪

(চ) সৰ্বনাম পদ কাক বোলে? কিহৰ ভিত্তিত অসমীয়া ভাষাৰ সৰ্বনাম পদবোৰক ভাগ কৰা হৈছে? ভাগবোৰ কি কি? প্ৰতিটো ভাগৰে চমু পৰিচয় একোটি দাঙি ধৰি যথাযথ উদাহৰণ দিয়া।

২ + ২ + ২ + ৮ = ১৪

(ছ) শব্দাৰ্থ বুলিলে কি বুজা? শব্দাৰ্থৰ প্ৰকাৰভেদসমূহ আলোচনা কৰি প্ৰতি বিধৰে উদাহৰণসহ পৰিচয় দাঙি ধৰা। ৩ + ৩ + ৮ = ১৪

—— × ——